
# পাঠ - ১



☛ বৰগীত পাঠটো পঢ়াৰ আগতে ছবিখনৰ সহায়ত বিষয়বস্তুৰ পূৰ্বজ্ঞান সম্পৰ্কে আলোচনা কৰিব।

# তেজৰে কমলাপতি

## (পুৰা গোৱা বৰগীত)

**ৰাগ - শ্যাম**

**শ্ৰীশ্ৰী মাধৱদেৱ**

*শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে ৰচনা কৰা বৰগীতসমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। এই বৰগীতসমূহ সত্ৰ, নামঘৰ আৰু অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। গীতসমূহত সাধাৰণতে ৰাম-কৃষ্ণৰ জীৱন-লীলা বিষয়ক চিত্ৰ প্ৰতিফলিত হয় যদিও প্ৰাকৃতিক বৰ্ণনা, জন জীৱনৰ ছবি, মাতৃ স্নেহৰ প্ৰকাশ আৰু কৃষ্ণৰ শৈশৱকালৰ নানান চিত্ৰ প্ৰকাশ পায়। এই পাঠত তেনেকুৱা এটি ভাবৰ আভাষ পাবাহঁক।*



ধ্ৰুং – তেজৰে কমলাপতি পৰভাতে নিন্দ।
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোৱিন্দ।।

পদ- ৰয়নী বিদূৰ দিশ ধৱলী বৰণ।
তিমিৰ ফেৰিয়া বাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।
ব্ৰজবধূ দধি মথে তুৱা গুণ গাই।।
দাম-সুদাম ডাকে তেৰি লৈয়া নাম।
হেৰ দেখ উঠিয়া আসিল বলৰাম।।
নন্দ গেল বাথানে গোৱাল গেল পাল।
সুৰভী চাৰিতে লাগে উঠৰে গোপাল।।
ক্ষীৰ লৱনু লৈয়া শিঙা বেত বেণু।
সকালে মেলিয়ো বৎস হাম্বালাৱে ধেনু।।
কহয় মাধৱ মাই! কিনু তপসাইলা।
ত্ৰিজগত পতি হৰি ৰাখোৱাল পাইলা।।

*(হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত 'বৰগীত' পুথিৰ পৰা লোৱা হৈছে।)*

☛ গীতটো গোৱাত সহায় কৰিব। আৱশ্যকবোধে স্থানীয় দক্ষ ব্যক্তিৰ সহায় ল'ব আৰু পাৰিলে ড° ভূপেন হাজৰিকাই গোৱা গীতটো বজাই শুনাব।

তেজৰে কমলাপতি পৰভাতে নিন্দ।
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোৱিন্দ।।

— পুৰণি অসমীয়া সাহিত্যত ছন্দৰ শেষত '।।' (দুডাল 'দাৰি') ব্যৱহাৰ হৈছিল।

- **শ্ৰীশ্ৰীমাধৱদেৱ ঃ** উত্তৰ লখিমপুৰ (পুৰণি লক্ষীমপুৰ) জিলাৰ নাৰায়ণপুৰৰ ওচৰৰ লেটেকুপুখুৰী নামৰ ঠাইত মহাপুৰুষ মাধৱদেৱৰ জন্ম হয়। মহাপুৰুষজনাৰ পিতৃ-মাতৃ আছিল ক্ৰমে গোৱিন্দগিৰী আৰু মনোৰমা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান শিষ্য আছিল মহাপুৰুষ মাধৱদেৱ। গুৰুজনাৰ মহাপ্ৰয়াণৰ পাছত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব তেখেতৰ ওপৰতে পৰে। তেখেতে স্থাপন কৰা সত্ৰসমূহ বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ আদি। বহুমুখী প্ৰতিভাৰ অধিকাৰী মহাপুৰুষ মাধৱদেৱ আছিল একাধাৰে কবি, নাট্যকাৰ, গীতিকাৰ, সুগায়ক আৰু ধৰ্ম-প্ৰচাৰক। বৰগীত, ভটিমা, ভক্তি-ৰত্নাৱলী, জন্ম ৰহস্য, দধি-মথন, ভোজন-ব্যৱহাৰ(এই পুথিখনক ভোজন-বিহাৰ বুলিও কোৱা হয়), ভূমি-লেটোৱা, চোৰ-ধৰা আৰু পিম্পৰা গুচোৱা আদিকে ধৰি মহাপুৰুষজনাই অনেক পুথি প্ৰণয়ন কৰি গৈছে। তেখেতৰ শ্ৰেষ্ঠ কৃতি হ'ল 'নাম-ঘোষা'।

- **বৰগীত—** বৰগীত হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে ৰচনা কৰা 'ৰাম-কৃষ্ণ'ৰ লীলা বিষয়ক আধ্যাত্মিক গীত। মহাপুৰুষ মাধৱদেৱৰ ৰচিত বৰগীতটোত কৃষ্ণৰ বাল্য-কালৰ মহিমাৰ চিত্ৰ প্ৰতিফলিত হৈছে। এই বৰগীতবোৰ ব্ৰজাৱলী ভাষাত ৰচিত। বৰগীতসমূহ নিৰ্দিষ্ট ৰাগ আৰু তালত বন্ধা। এই গীত পৰিৱেশন কৰোঁতে খোল, তাল আৰু মৃদংগ বজোৱা হয়। গীতবোৰ পুৱা, দুপৰীয়া আৰু সন্ধিয়াৰ 'প্ৰসংগ'ত গোৱা হয়।

- **ব্ৰজাৱলী ভাষা—** ব্ৰজাৱলী ভাষা হ'ল শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ প্ৰমুখ্যে বৈষ্ণৱ কবিসকলে ব্যৱহাৰ কৰা এটা ধৰ্মীয় ভাষা। ই মৈথিলী আৰু অসমীয়া আদি ভাষাৰ সংমিশ্ৰণত সৃষ্টি হোৱা। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে নাট আৰু বৰগীতসমূহত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰিছিল। ইয়াৰ অন্য নাম 'ব্ৰজবুলি' ভাষা।

জানো আহা

| শব্দ | অৰ্থ | শব্দ | অৰ্থ |
| --- | --- | --- | --- |
| ধ্ৰু (ধ্ৰুপদ, ধ্ৰুৱপদ) | ধুৰা, গীতৰ দোহাৰ, যিবোৰ মাজে মাজে পুনৰাবৃত্তি হয় | বেণু | বাঁহী, মুৰুলী |
| | | সকালে | পুৱা |
| | | মেলিয়ো | মুকলি কৰা, মেলা |
| তেজৰে | এৰা, ত্যাগ কৰা | কহয় | কয় |
| কমলাপতি | লক্ষ্মীপতি, বিষ্ণু, ভগৱান | মাই | আই, মা |
| পৰভাত | প্ৰভাত, পুৱা | বলৰাম | শ্ৰীকৃষ্ণৰ ককায়েকৰ নাম |
| নিন্দ | নিদ্ৰা, টোপনি, ঘুমটি | নন্দ | শ্ৰীকৃষ্ণৰ পিতৃ |
| চান্দ | চন্দ্ৰ, জোন | পাল | গৰু, ম'হ আদিৰ জাক |
| পেখোঁ | দেখোঁ, চাওঁ | গোপাল | শ্ৰীকৃষ্ণৰ আন এটা নাম |
| ৰয়নী | ৰজনী, ৰাতি | ক্ষীৰ | তপতাই ঘন বা ডাঠ কৰা গাখীৰ |
| হাম্বালাৰে | হেম্বেলিয়ায় | ত্ৰিজগত | স্বৰ্গ, মৰ্ত্য আৰু পাতাল |
| ধেনু | পোৱালী হোৱা গাই, খীৰতী গাই | বিদূৰ | আঁতৰা, অধিক দূৰত থকা |
| | | তিমিৰ | আন্ধাৰ, তমসা |
| তুৱা/তেৰি | তোৰ / তোমাৰ | উৰায় | উৰে |
| গোৱিন্দ | শ্ৰীকৃষ্ণৰ অন্য এটা নাম | ব্ৰজবধূ | ব্ৰজধামৰ বোৱাৰী |
| ধৱলী | বগা বৰণ | বাথান | গৰু আৰু ম'হৰ খুঁটি |
| বৰণ | বৰ্ণ, ৰং | গোৱাল | গৰু, ম'হৰ প্ৰতিপালক |
| কিৰণ | পোহৰ | সুৰভী | কামধেনু, ইচ্ছা কৰিলে যিহকে লাগে তাকে দিব পৰা গাই |
| শতপত্ৰ | পদুম | | |
| বিকশিত | ফুলা, প্ৰস্ফুটিত | শিঙা | শিঙেৰে সজা ফুঁ দি বজোৱা এবিধ বাদ্য-যন্ত্ৰ |
| ভ্ৰমৰ | ভোমোৰা | | |
| দধি | দৈ | বাজ | বাহিৰ |
| গুণ | যশস্যা, স্বভাৱ, ধৰ্ম | ৰাখোৱাল | ৰখীয়া, গৰখীয়া |
| আসিল | আহিল | ডাকে | মাতে |
| পতি | স্বামী | লৈয়া | লৈ |
| বৎস | পোৱালী | ফেৰিয়া | ফালি |
| লৱনু | মাখন, লনী | গেল | গ'ল |
| | | বিদূৰ | অধিক দূৰত থকা |

## ক— পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**

১। **বৰগীতটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে গাওঁ আহা।**

২। **বৰগীতটো শুদ্ধ আৰু স্পষ্টভাৱে পঢ়া।**

৩। **তলৰ প্ৰশ্নসমূহৰ উত্তৰ কোৱা আৰু লিখা।**

(ক) বৰগীত ৰচনা কৰা মহাপুৰুষ দুজনাৰ নাম কি?

(খ) 'তেজৰে কমলাপতি' নামৰ বৰগীতটোৰ ৰচক কোন?

(গ) 'তিমিৰ ফেৰিয়া' কি বাজ হয়?

(ঘ) যশোদাই কৃষ্ণক পুৱা কিয় জগাইছিল?

### ব্যাখ্যা কেনেকৈ কৰিব লাগে জানি লোৱা

ব্যাখ্যা কৰোঁতে সাধাৰণতে তলৰ স্তৰ তিনিটা ৰক্ষা কৰিব লাগে।

**প্ৰথম স্তৰ ঃ**

**প্ৰসংগ —** প্ৰসংগত ব্যাখ্যা কৰিবলৈ দিয়া কথাখিনি কোনে ৰচনা কৰা, কি পাঠৰ পৰা লোৱা হৈছে লিখিব লাগে। পাৰিলে মূল গ্ৰন্থৰ নাম উল্লেখ কৰিব লাগে।

**দ্বিতীয় স্তৰ ঃ**

**সংগতি —** প্ৰসংগত ব্যাখ্যা কৰিবলৈ দিয়া কথাখিনি কোনে, কেতিয়া, কাক, কি প্ৰসংগত কৈছিল স্পষ্টকৈ লিখিব লাগে।

**তৃতীয় স্তৰ ঃ**

**ব্যাখ্যা —** এই স্তৰত ব্যাখ্যা কৰিবলৈ দিয়া কথাখিনিৰ মূলভাব সহজ-সৰল ভাষাত বুজাই লিখিব লাগিব। পুৰণি অসমীয়া ভাষাৰ ব্যাখ্যা কৰিবলৈ দিলে ব্যাখ্যাৰ তলত কঠিন শব্দৰ অৰ্থ দিব লাগে।

**ব্যাখ্যা কৰা(উদাহৰণ)—** 'কহয় মাধৱ মাই! কিনু তপসাইলা।
ত্ৰিজগত পতি হৰি ৰাখোৱাল পাইলা'।।

**প্ৰসংগ —** উক্ত পদফাকি আমাৰ পাঠ্যপুথি 'অংকুৰণ' (সপ্তম ভাগ)ৰ 'তেজৰে কমলাপতি' নামৰ পাঠটিৰ পৰা তুলি দিয়া হৈছে। ব্ৰজাৱলী ভাষাৰ এই বৰগীতৰ অংশটো শ্ৰীশ্ৰীমাধৱদেৱে ৰচনা কৰা।

**সংগতি —** ব্ৰজৰ শিশুসকলে পুৱাই গৰু চৰাবলৈ ওলাইছে। শ্ৰীকৃষ্ণৰ বন্ধু দাম-সুদামেও

☛ *বৰগীতটো গোৱাত প্ৰয়োজন অনুসৰি স্থানীয় সমল ব্যক্তিৰ সহায় ল'ব।*

শ্ৰীকৃষ্ণক মাতিবলৈ ধৰিছে। শ্ৰীকৃষ্ণ কিন্তু গভীৰ নিদ্ৰাত। দাম-সুদাম আদিয়ে কৃষ্ণক মতা বুলি কৈ মাক যশোদাই পুত্ৰ কৃষ্ণক জগাবলৈ চেষ্টা কৰিছে। এই প্ৰসংগতে মহাপুৰুষ মাধৱদেৱে উদ্ধৃত কথাষাৰ কৈছে।

**ব্যাখ্যা —** ৰজা নন্দ আৰু যশোদাই ভগৱানক পুত্ৰৰূপে পাবলৈ তপস্যা কৰিছিল। ভগৱান ভক্তৰ অধীন। তেওঁলোকৰ মনোবাঞ্ছা পূৰণৰ বাবে ত্ৰিজগতৰ পতি অৰ্থাৎ স্বৰ্গ, মৰ্ত্য, পাতালৰ গৰাকী ভগৱান বিষ্ণুৱে শ্ৰীকৃষ্ণৰ ৰূপত নন্দ-যশোদাৰ ঘৰত পুত্ৰৰূপে আছেহি।। তেনে এজন শ্ৰীকৃষ্ণক মাতৃ যশোদাই আন গোপ-বালকসকলৰ লগত গৰু চৰাবলৈ পঠিয়াবলৈ বিচাৰিছে; মহাপুৰুষ মাধৱদেৱে কৈছে যে যিজন ভগৱান কৃষ্ণক পাবলৈ দেৱ-নৰ সকলোৱে হাবিয়াস কৰে, সেই পৰমপুৰুষক যশোদাই গৰখীয়াৰূপে অশেষ তপস্যাৰ ফলতহে লাভ কৰিছে।

**কঠিন শব্দৰ অৰ্থ—**

ত্ৰিজগত — স্বৰ্গ, মৰ্ত্য, পাতাল।
ৰাখোৱাল — ৰখীয়া, গৰখীয়া।

৪। **তলত দিয়া পদ দুশাৰীত কোনে, কাক, কি কৈছে— নিজৰ কথাৰে লিখা।**


'নন্দ গেল বাথানে গোৱাল গেল পাল।
সুৰভী চাৰিতে লাগে উঠৰে গোপাল।।'

৫। **শব্দ সম্ভাৰ আৰু অভিধান চাই তলৰ শব্দবোৰৰ অৰ্থ লিখা।**

| | | | |
|---|---|---|---|
| কমলাপতি | ভগৱান | শতপত্ৰ | পদুম |
| তিমিৰ | আন্ধাৰ | ভ্ৰমৰ | ভোমোৰা |
| ডাকে | মাতে | ত্ৰিজগত | পাতাল |
| ব্ৰজবধূ | ব্ৰজ কিশোৰী | ৰয়নী | ৰাতি |

৬। **বৰগীতটোত প্ৰকাশ পোৱা পুৱাৰ প্ৰাকৃতিক দৃশ্যৰ এটি বৰ্ণনা দিয়া।**

৭। তলৰ ছবিখন চোৱা আৰু তাত প্ৰকাশ পোৱা কথাখিনি কোৱা।



## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৮। (ক) শব্দৰ আগত 'ত্ৰি' শব্দ লগাই নতুন শব্দ গঠন কৰা আৰু অৰ্থ জানি লোৱা।

| | | | |
|---|---|---|---|
| জগত | ত্ৰিজগত | শূল | |
| ভুজ | | কোণ | |
| কাল | | নয়ন | |

(খ) তলত দিয়া শব্দবোৰৰ আগত 'বি' পূৰ্বসৰ্গ লগ লগাই সেইবোৰেৰে অৰ্থ প্ৰকাশক একোটা বাক্য ৰচনা কৰা।

মুখ, দূৰ, কিৰণ, নন্দ

৯। তলৰ ব্ৰজাৱলী ভাষাত লিখা বাক্য চাৰিশাৰী আধুনিক অসমীয়ালৈ ৰূপান্তৰ কৰা।

(ক) ৰয়নী বিদূৰ দিশ ধৱলী বৰণ। (খ) শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।

(গ) দাম-সুদাম ডাকে তেৰি লৈয়া নাম। (ঘ) ক্ষীৰ লৱনু লৈয়া শিঙা বেত বেণু।

১০। এটা শব্দত প্ৰকাশ কৰা।

গৰু বন্ধা ঠাই ——। যিজন সকলোৰে মাজত প্ৰিয় ——।

যিয়ে ৰাতি নেদেখে ——। যাক সহজে লাভ কৰিব নোৱাৰি ——।

যিজনে সকলো জানে——। যিজনে বিষ্ণুক উপাসনা কৰে ——।

## গ — জ্ঞান সম্প্ৰসাৰণ

**১১। বৰগীতটোত চাৰিটা আখৰেৰে গঠিত এটা শব্দ আছে। সেই শব্দটোৰ প্ৰথম আখৰ দুটা মিলি 'বল' বুজায় আৰু শেষৰ আখৰ দুটা মিলি 'মানুহৰ নাম' বুজায়। শব্দটো বিচাৰি উলিয়াই লিখা।** | | | | | প্ৰথম আখৰ দুটা মিলি | ব | ল | হয়।

সেই শব্দটোৰ—

| | | |
|---|---|---|
| প্ৰথম আৰু তৃতীয়ই মিলি কি বুজায়? | | |
| দ্বিতীয় আৰু তৃতীয়ই মিলি কি বুজায়? | | |
| আৰু চতুৰ্থ আৰু দ্বিতীয়ই মিলি কি বুজায়? | | |

**১২। ব্ৰজাৱলী ভাষাত লিখা কথাখিনি পঢ়ি অভিনয় কৰা।**

**কথা ঃ**

**গোপী বোল ঃ** আহে কানাই! তোহাক হামু উত্তৰে নাহি পাৰলো। আজু তোহাৰি মাৱক আগু সৱ কথা কহিয়ে হামো তোহাক যে জানো তা কৰব।

**সূত্ৰ ঃ**

ওহি বুলি গোপী পাৱাক গোপীসৱক ডাকিয়ে এক থানে হোৱে সৱহি গিয়া যশোদাক আগু কহল, তা দেখহ।

**কথা ঃ**

**গোপী বোল ঃ** হে মাই যশোদে! তোহাৰি বালক কানাই হামাক যে অপকাৰ কৰত তা শুনহ। হামাৰ গৃহে দধি দুগ্ধ লৱনু ৰহয়ে নাহি। শ্ৰীকৃষ্ণ বানৰ সৱ সহিতে সৱ নাশ কয়ল।

**কথা ঃ**

**অপৰ গোপী বোল ঃ** হে মাই! হামু ওহি কৃষ্ণক কথা কত কহব। হামাৰ সঞ্চিত লৱনু চুৰি কৰি খাই জোখাক ভাণ্ড ভাঙ্গি পেলাৱল।

(ওপৰৰ কথাখিনি শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত 'পিম্পৰা গুচোৱা' নাটৰ পৰা তুলি দিয়া হৈছে।)

## ঘ —প্ৰকল্প

**১৩। দুটা বৰগীত সংগ্ৰহ কৰি ৰচকৰ নাম আৰু পৰিচয় লিখি শ্ৰেণী কোঠাত পঢ়ি শুনোৱা।**



**১৪। বৰগীতত ব্যৱহাৰ কৰা বাদ্য-যন্ত্ৰৰ ছবি সংগ্ৰহ কৰি তালিকা প্ৰস্তুত কৰা।**